# ভাৰতীয় জনতা পাৰ্টী

(কেন্দ্ৰীয় কাৰ্যালয়)

১১, অশোক ৰোড, নতুন দিল্লী-১১০০০১

## বিজেপিৰ সভাপতি ৰাজনাথ সিঙে ৭ ফেব্ৰুৱাৰীত চেন্নাইত জাৰী কৰা প্ৰেছ বিজ্ঞপ্তি

### ইউ পি এ-ৰ কূটনীতি সম্পূৰ্ণৰূপে বিফল

কূটনৈতিক তথা কৌশলগত ক্ষেত্ৰত ইউ পি এ চৰকাৰৰ যি ধাৰা দেখিবলৈ পোৱা গৈছে সেয়া কেৱল নিষ্প্ৰভেই নহয় বৰং অসংলগ্ন আৰু অস্থিৰ। বিগত আঠটা বছৰ বা প্ৰায় সেই সময়চোৱাত সকলো চুবুৰীয়া ৰাষ্ট্ৰৰ সৈতে হোৱা দ্বিপাক্ষিক চুক্তি চৰকাৰৰ কৰ্মস্পৃহাৰ অভাৱ তথা প্ৰয়োগৰ কাণ্ডজ্ঞানহীনতাৰ বাবে একে অৱস্থাতে আছে।

এফালে পাকিস্তানে ভাৰত বিৰোধী নীতি অব্যাহত ৰাখিছে আৰু আনফালে চীনে সকলো দিশৰ পৰা ভাৰতক ঘেৰি ধৰিবলৈ চেষ্টা কৰিছে। চীনৰ দৰে পাকিস্তানেও ভাৰতৰ কৌশলগত আকাংক্ষাসমূহৰ বিৰুদ্ধে কাম কৰিছে। শেহতীয়াকৈ পাকিস্তানে গুৱাদাৰ বন্দৰৰ ব্যৱস্থাপনাৰ দায়িত্ব চীনক প্ৰদান কৰি আৰৱ সাগৰৰ কাষত ইয়াক এক সৱল স্থিতি গ্ৰহণ কৰাৰ সুযোগ প্ৰদান কৰিলে। আন নালাগে পৰম্পৰাগতভাৱে বন্ধুসুলভ শ্ৰীলঙ্কাইও হাম্বানটোটা নামৰ দ্বীপটোত নিজৰ কাম কাজ কৰাৰ বাবে চীনক সুবিধা প্ৰদান কৰি চীনৰ সৈতে সম্পৰ্ক ভাল কৰাৰ প্ৰয়াস কৰা দেখা গৈছে।

শ্ৰীলঙ্কা আৰু ভাৰতৰ মাজত দ্বিপাক্ষিক সম্পৰ্কৰ এক সুন্দৰ ইতিহাস আছে। ইউ পি এ চৰকাৰে নৃগোষ্ঠীয় তামিল বিষয়টোৰ ক্ষেত্ৰত যথেষ্ট বুজাপৰা কৰিছে তথা শ্ৰীলঙ্কাক ইয়াৰ যুদ্ধ অপৰাধৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় হেঁচাৰ পৰা মুক্তি পোৱাতো সহায় কৰিছে। শ্ৰীলংকাই তথাকথিত উৎপীড়ণ আৰু অত্যাচাৰৰ তদন্ত কৰাৰ বাবে তথা এইক্ষেত্ৰত গ্ৰহণ কৰিবলগীয়া ব্যৱস্থাৰ বিষয়ে পৰামৰ্শ আগবঢ়োৱাৰ কাৰণে এল এল আৰ চি (লাভ কৰা শিক্ষা তথা আলোচনা আয়োগ) নামৰ বিশেষজ্ঞৰ এক গোট গঠন কৰিছিল। এল এল আৰ চি-য়ে প্ৰায় দুবছৰ পূৰ্বে নিজৰ প্ৰতিবেদন দাখিল কৰিছে যদিও আজি পৰ্যন্ত এইক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই।

শ্ৰীলংকা চৰকাৰে নিজৰ সংবিধানৰ ত্ৰয়োদশ সংশোধনৰ লগতে তামিল প্ৰদেশসমূহক ক্ষমতা প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি দিছিল। ইউ পি এ চৰকাৰৰ আশা ত্ৰয়োদশ সংশোধনৰ ওপৰত আছিল য'ত সৰ্বাত্মক ৰাজনীতি আৰু পুনৰ সংস্থাপনৰ প্ৰয়াস বৃদ্ধি কৰাৰ প্ৰতিশ্ৰুতি আগবঢ়োৱা হৈছিল। এতিয়া শ্ৰীলঙ্কাৰ চৰকাৰে এনে প্ৰতিশ্ৰুতিৰ কথা অস্বীকাৰ কৰিছে। এয়া ইউ পি এ চৰকাৰৰ এক গুৰুতৰ কূটনৈতিক বিফলতা। প্ৰধানমন্ত্ৰীয়ে সাহায্য, পুনৰ সংস্থাপন আৰু শ্ৰীলঙ্কাত বাস কৰা তামিলসকলৰ সবলীকৰণৰ বিষয়টো কূটনৈতিক মাধ্যমেৰে উত্থাপন কৰাৰ বাবে বিজেপিয়ে দাবী কৰিছে।

ইউ পি এ চৰকাৰে লগতে তামিলনাডুৰ মাছমৰীয়াসকলৰ সুৰক্ষাৰ বিষয়টোও উত্থাপন কৰা প্ৰয়োজন যিসকলে পক্ প্ৰণালীত মাছ মাৰি জীৱন নিৰ্বাহ কৰে। বিগত কেইবা বছৰ ধৰি শ্ৰীলঙ্কাৰ নৌসেনাৰ হাতত এই মাছমৰীয়াসকল প্ৰায়ে নিৰ্যাতিত হৈ আহিছে আৰু বহু সময়ত মৃত্যু মুখতো পৰিছে। আমাৰ মাছমৰীয়াসকলৰ সুৰক্ষা আৰু নিৰাপত্তা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত ইউ পি এ চৰকাৰে শ্ৰীলঙ্কাৰ চৰকাৰক সক্ৰিয়ভাৱে অন্তৰ্ভুক্ত কৰা প্ৰয়োজন।

## <u>কাবেৰী নদীৰ জল বিবাদৰ বিষয়</u>

কাবেৰী নদীৰ জল বিবাদ নিষ্পত্তি কৰাৰ কাৰণে গঠন কৰা ন্যায়াধীকৰণৰ চূড়ান্ত ৰায়দান আগবঢ়োৱাৰ কাৰণে উচ্চতম ন্যায়ালয়ে ফেব্ৰুৱাৰী মাহৰ ২০ তাৰিখ অন্তিম সময়সীমা স্থিৰ কৰি দিছে। আমাৰ দেশত পানী এক সংবেদনশীল আৰু ৰাজনৈতিক বিষয়। ইউ পি এ চৰকাৰে উক্ত বিষয়টোৰ ক্ষেত্ৰত সাৱধানতা অৱলম্বন কৰিব লাগে কাৰণ এই সিদ্ধান্তই আন্তঃৰাজ্যিক সম্পৰ্কত ব্যাপক প্ৰভাৱ পেলাব। চূড়ান্ত সিদ্ধান্ত আগবঢ়োৱাৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে তামিলনাডু আৰু কৰ্ণাটকৰ মুখ্যমন্ত্ৰী দুগৰাকীৰ সৈতে আলোচনাত মিলিত হৈ এক সহমতত উপনীত হোৱা উচিত।

কাবেৰী জল বিবাদ নিষ্পত্তিৰ বাবে গঠন কৰা ন্যায়াধীকৰণে ২০০৭ চনৰ ৫ ফেব্ৰুৱাৰীতে নিজৰ ৰায় প্ৰদান কৰা ছবছৰতকৈও অধিক হ'ল। কেন্দ্ৰত ক্ষমতাত থকা চৰকাৰে এই সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ প্ৰদান কৰিব লাগে।

## <u>ভাৰতত বৃদ্ধি পাবলৈ ধৰা সাংস্কৃতিক অসহিষ্ণুতা</u>

কিছুমান সাংস্কৃতিক বিষয়ক লৈ শেহতীয়াকৈ সৃষ্টি হোৱা বিতৰ্কক লৈ বিজেপি চিন্তিত। ভিন্ন আৰু নতুন বিচাৰক স্থান নিদিয়াকৈ আমি ভাৰতক এক অসহিষ্ণু সমাজলৈ সলনি কৰাৰ বিপদ সৃষ্টি কৰিছো।

যিহেতু কথাছবি, সংগীত, পুথি আৰু জনসাধাৰণৰ মাজলৈ বাৰ্ত্তা কঢ়িয়াই নিব পৰা আন কোনো সৃজনীমূলক আৰ্হিয়ে বিকল্প বিচাৰধাৰাক প্ৰাধান্য দিয়া সেঁতু ৰূপে কাম কৰে সেয়েহে ইয়াক আগুৱাবলৈ দিয়া উচিত। যিসকল লোক এনে বিচাৰধাৰা বিৰোধী তেওঁলোকে মাত মতাৰ সম্পূৰ্ণ অধিকাৰ আছে কিন্তু এইক্ষেত্ৰত গুন্দাগিৰি, ব্লেকমেল বা হিংসাৰ কোনো স্থান নাই।

সংবিধান প্ৰদত্ত ভাব প্ৰকাশৰ অধিকাৰ সম্পূৰ্ণৰূপে প্ৰযোজ্য নহয় কাৰণ ই দায়িত্বৰ ভাবধাৰাৰে গঢ় লৈছে। সম্প্ৰদায়ৰ পৰিচয় গুৰুত্বপূৰ্ণ আৰু তেওঁলোকৰ সংবেদনশীলতাক জানিবুজি আঘাত কৰা অনুচিত। দুৰ্ভাগ্যৰ বিষয় যে- কিছুমান মানুহে ইয়াকে কৰি লাভ আদায় কৰাৰ প্ৰয়াস চলাইছে আৰু দেশৰ কলা সংস্কৃতিৰ সন্দৰ্ভত কোনো ইতিবাচক চৰ্চাৰো পথ বন্ধ কৰিছে।

সাংস্কৃতিক বিষয়সমূহৰ ক্ষেত্ৰত দেশত বৃদ্ধি পোৱা অসহিষ্ণুতাৰ সম্পূৰ্ণ তথ্যৰে পৰিপূৰ্ণ এক সমজুৱা আলোচনা হোৱা উচিত। যুগ যুগ ধৰি ভাৰত কলা, সংস্কৃতি আৰু সংগীতৰ ক্ষেত্ৰত এখন সহিষ্ণু

সমাজ। এই প্ৰগতিশীল আৰু পৰম্পৰাগত বিচাৰধাৰাক পুনৰ পৰিচিত কৰোৱাৰ এতিয়া পুনৰ সময় আহি পৰিছে।

(অ পি কহলি)

মুখ্য কাৰ্যালয়ৰ ভাৰপ্ৰাপ্ত

---